**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

———————————————

১। গুৱাহাটীত আই আই এম স্থাপনৰ কাম-কাজ দ্ৰুতগতিত আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।
২। পশ্চিম কাৰ্বিআংলং জিলাৰ অসম-মেঘালয় সীমান্তৰ সমস্যা সমাধানৰ বাবে চাৰিদফীয়া শান্তিচুক্তি।
৩। অসমীয়া সাহিত্যৰ উজ্বল নক্ষত্ৰস্বৰূপ ড০ লক্ষ্মী নন্দন বৰাৰ পুণ্যতিথি উপলক্ষে শ্ৰদ্ধা নিবেদন।

**আৰু**

৪। বিশ্ব বাইচাইকেল দিৱস উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াৰ সুস্থ-সৱল তথা সেউজ ৰাষ্ট্ৰ গঢ়িবলৈ চাইকেল চলোৱাৰ অভ্যাস গঠনৰ আহ্বান।

০০০০০০

গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই এম স্থাপনৰ কাম-কাজ দ্ৰুতগতিত আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। ড° শৰ্মাই শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ শিক্ষাৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু অসমক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যম এক্সত এই বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে আই আই এমৰ প্ৰস্তাৱিত চৌহদ সন্দৰ্ভত মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে শ্ৰী প্ৰধানক ৰাজ্যৰ শিক্ষা আন্তঃগাঁথনি উন্নীতকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। প্ৰস্তাৱিত আই আই এমে ৰাজ্যখনক উত্তৰ-পূব ভাৰতৰ শিক্ষা, গৱেষণা আৰু বিদ্যায়তনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা ল'ব বুলি তেওঁ উল্লেখ কৰে। তদুপৰি প্ৰতিষ্ঠানটো স্থাপনৰ ফলত ব্যৱস্থাপনা শিক্ষা, দক্ষতা বিকাশ আদি ক্ষেত্ৰৰো উন্নতি সাধন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি তেওঁৰ সৈতে পথ পৰিবহণ বিষয়ত বিভিন্ন কথা আলোচনা কৰে। তেওঁ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদাৰ সৈতেও আলোচনাত মিলিত হয়।

০০০০০০

পশ্চিম কাৰ্বিআংলং জিলাৰ অসম-মেঘালয় সীমান্তত কালি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰতিনিধি আৰু মেঘালয়ৰ প্ৰতিনিধিৰ মাজত সীমান্তকেন্দ্ৰিক সমস্যা সমাধানৰ বিষয় লৈ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। দুয়োৰাজ্যৰ সীমান্তৱৰ্তী তাপাটত থকা অসম আৰক্ষীৰ অস্থায়ী ছাউনীত আয়োজিত বৈঠকত কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং আৰু মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী স্নিউভালাং ধাৰ উপস্থিত থাকে। এই বৈঠকত সীমান্তৱৰ্তী তাপাত আৰু লাপাংআপ গাঁৱৰ ৰাইজৰ মাজত হোৱা চাৰিদফীয়া শান্তি চুক্তিৰে সীমাবিবাদ নিষ্পত্তিৰ পথ প্ৰশস্ত কৰা হয়। এই চুক্তি অনুসৰি মেঘালয়ৰ লাপাংআপ গাঁৱৰ ৰাইজে তাপাত অঞ্চলত থকা পৰ্বতৰ পাদদেশত তথা পূৰ্বতে কাৰ্বি ৰাইজৰ পৰা ক্ৰয় কৰা সমতল ভূমিতহে কৃষিকাৰ্য কৰিব পাৰিব। দ্বিতীয়তে তাপাতৰ কাৰ্বি লোকসকলে পাহাৰীয়া অঞ্চলৰ লগতে এঢলীয়া ভূমিত ঋতু অনুযায়ী বিভিন্ন কৃষিকাৰ্য সম্পন্ন কৰিব। তৃতীয়টো চুক্তি অনুসৰি সীমান্তকেন্দ্ৰিক বিষয়ক স্থায়ী সমাধান সংশ্লিষ্ট ৰাজ্যৰ উচ্চ পৰ্যায়ৰ বিষয়াই অঞ্চলভেদে সমাধান কৰিব। চতুৰ্থতে, দুয়োৰাজ্যৰ সীমান্ত অঞ্চলত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে সীমান্তৱৰ্তী গাঁওবাসী দায়বদ্ধ হ'ব বুলি কোৱা হৈছে।

০০০০০০

অসমীয়া সাহিত্যৰ উজ্বল নক্ষত্ৰস্বৰূপ ড০ লক্ষ্মী নন্দন বৰাৰ আজি পুণ্যতিথি। গৱেষণালব্ধ সৃষ্টিশীল প্ৰতিভাৰে সাহিত্য জগতক অনন্য শিখৰলৈ লৈ যোৱা ড০ বৰাই **ভাওনা** গল্পটিৰে লেখক হিচাপে আত্মপ্ৰকাশ কৰিছিল। ড০ বৰাই বহুতো অমূল্য গ্ৰন্থ সম্ভাৰেৰে অসমীয়া সাহিত্যক সমৃদ্ধি কৰি থৈ গৈছে আৰু পঢ়ুৱৈৰ মনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ সাহিত্যৰ মাজেৰে সমাজ, মানুহৰ জীৱন সংগ্ৰাম, মূল্যবোধ আৰু সময়ৰ স্পন্দনক অনন্য দক্ষতাৰে ৰূপায়িত কৰিছিল। ড০ লক্ষ্মী নন্দন বৰাৰ কালজয়ী উপন্যাসসমূহৰ ভিতৰত **পাতাল ভৈৰৱী, কায়কল্প, গঙা চিলনীৰ পাখি** অন্যতম। সাহিত্যিকগৰাকীক **পাতাল ভৈৰৱী** গ্ৰন্থৰ বাবে ১৯৮৮ চনত সাহিত্য একাডেমী বঁটা আৰু **কায়কল্প**ৰ বাবে সৰ্বভাৰতীয় সৰস্বতী সন্মান প্ৰদান কৰা হৈছিল। তেওঁক ২০১৫ চনত পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হৈছিল। ড০ বৰাই ১৯৯৬-৯৭ চনত অসম সাহিত্য সভাৰ সভাপতি আসনো অলংকৃত কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পুণ্যতিথি উপলক্ষে সাহিত্যিকগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তা ড০ শৰ্মাই কয়, যে সৰস্বতী সন্মানপ্ৰাপক বৰাদেৱৰ সাহিত্যকৰ্ম, চিন্তা আৰু আদৰ্শ নতুন প্ৰজন্মৰ পৰা সদায় প্ৰেৰণাৰ অম্লান উৎস হৈ থাকিব।

০০০০০০

আজি বিশ্ব বাইচাইকেল দিৱস। পৰিৱেশ সুৰক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ অন্যতম আহিলা হিচাপে চাইকেলৰ ব্যৱহাৰ তথা ব্যয়সাধ্য সহজ নিৰ্ভৰযোগ্য আৰু পৰিৱেশ অনুকূল পৰিবহণৰ মাধ্যমৰূপে চাইকেল চলোৱাৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ ৩ জুনত এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই তুৰ্কমেনিস্তান চৰকাৰৰ এটা প্ৰস্তাৱমৰ্মে এই দিৱস পালনৰ সিদ্ধান্ত লৈছিল। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে – 'সেউজ ভৱিষ্যতৰ বাবে চাইকেল চলোৱা'। কাৰ্বন নিৰ্গমন ৰোধ কৰা, যান-জঁট দূৰ কৰা আৰু সুস্থ তথা বহনক্ষম নগৰীয়া জীৱন সৃষ্টিৰ ক্ষেত্ৰত চাইকেলৰ বিশেষ গুৰুত্ব আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষ কোষৰ উদ্যোগত আজি বিশ্ববিদ্যালয়খনৰ মুখ্য দ্বাৰৰ পৰা চাইকেল সমদল উলিওৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মাই এই সমদলৰ শুভাৰম্ভ কৰে। সমদলত বিশ্ববিদ্যালয়খনৰ এন এছ এছ কোষৰ কাৰ্যবাহী সমন্বয়ক ৰঞ্জন কুমাৰ কাকতি, অধ্যাপক অখিল ৰঞ্জন দত্ত আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। সমদলকাৰীসকলে ১৫ কিলোমিটাৰ পথ চাইকেলেৰে পৰিভ্ৰমণ কৰে। এই কাৰ্যসূচী সন্দৰ্ভত এন এছ কোষৰ সমন্বয়কগৰাকীয়ে এইদৰে কয়–

**বাইট**

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই দেশৰ যুৱ প্ৰজন্মক চাইকেল চলাবলৈ আৰু সুস্থ-সবল তথা সেউজ ৰাষ্ট্ৰ গঢ়ি তোলাত অগ্ৰণী ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছে। বিশ্ব বাইচাইকেল দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে চাইকেল চলোৱাৰ নিয়মীয়া অভ্যাসে সুষম আৰু শৃংখলাবদ্ধ জীৱনশৈলীক উদগনি যোগোৱাৰ লগতে সুস্থিৰ পৰিৱেশ আৰু নিকা পৰিবহণ ব্যৱস্থাৰ প্ৰসাৰত সহায় কৰে। তেওঁ কয়, যে চাইকেল চলোৱাৰ অভ্যাসে এগৰাকী ব্যক্তিক শাৰীৰিক, মানসিক সুস্থতা বৰ্তাই ৰখাতেই নহয়, বৰং এখন সুস্থ আৰু সেউজ ৰাষ্ট্ৰ গঢ়াতো অৰিহণা যোগায়।

**বাইট**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চাইকেল দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত শাৰীৰিক সক্ৰিয়তা আৰু সুস্বাস্থ্যৰ বাবে চাইকেল মহৌষধ বুলি উল্লেখ কৰে। তেওঁ প্ৰকৃতিৰ সৈতে সহাৱস্থান আৰু নিজক নিৰোগী কৰি ৰখাৰ স্বাৰ্থত সকলোকে চাইকেল চলোৱাৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়।

০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° এল মুৰুগানে মিজোৰামৰ জনসাধাৰণক ৰাষ্ট্ৰ গঢ়াৰ প্ৰক্ৰিয়ালৈ বৰঙণি আগবঢ়াই ২০৪৭ চনৰ বিকশিত ভাৰতৰ সক্ৰিয় অংশীদাৰ হ'বলৈ আহ্বান জনাইছে। কালি মিজোৰামত উপস্থিত হোৱা মন্ত্ৰীগৰাকীয়ে লেংপুই বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত ক'লাছিব জিলাত চৰকাৰী বিষয়াসকলৰ

সৈতে বৈঠকত মিলিত হয়। তেওঁ বিষয়াসকলক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ কৰি দেশক বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাত ভূমিকা ল'বলৈ আহ্বান জনায়। ডং মুৰুগানে মিজোৰামৰ মহিলা সৱলীকৰণ আৰু ক্ৰীড়াক্ষেত্ৰৰ উন্নয়নক প্ৰশংসা কৰে। তেওঁ লগতে বৈৰবী আৰু ছাইৰাং সংযোগী নতুন ৰে'লপথে ৰাজ্যখনৰ উন্নয়নক অন্য মাত্ৰা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। মিজোৰামৰ প্ৰাকৃতিক সৌন্দৰ্যৰ প্ৰশংসা কৰি ডং মুৰুগানে কয়, যে দেশৰ ভিন্ন প্ৰান্তৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে মিজোৰামক দৃশ্যায়নৰ উত্তম থলী হিচাপে বাছনি কৰিব পাৰে। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ এখন পি এম শ্ৰী বিদ্যালয় আৰু আঞ্চলিক ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰে।

০০০০০০

গুৱাহাটীৰ খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। সেইদিনা দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। অৱশ্যে মন্ত্ৰীসভাত কোন বিধায়কে স্থান লাভ কৰিব সেই বিষয়ে কোনো তথ্য সদৰি কৰা হোৱা নাই। উল্লেখযোগ্য যে যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ৰামেশ্বৰ তেলী, অতুল বৰা, অজন্তা নেওগ আৰু চৰণ বড়োৱে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মন্ত্ৰীসভা গঠন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মিলিত হৈছে।

০০০০০০

ৰাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি পৰহিলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে আত্মসহায়ক গোটৰ সদস্যাসকলে ৰাজ্যজুৰি এই পদক্ষেপত অংশগ্ৰহণ কৰি অকল সেউজ অসম গঢ়াৰ দিশতেই নহয় বৰং পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নাৰী শক্তি অদম্য নেতৃত্ব আৰু দায়বদ্ধতাৰো উজ্বল নিৰ্দশন দাঙি ধৰিব।

০০০০০০

**সমাপ্ত**